**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হৰমুজ প্ৰণালীৰ মাজেৰে সুৰক্ষিত নৌ পৰিবহনৰ ক্ষেত্ৰত ভাৰতৰ পূৰ্ণ সমৰ্থন আছে বুলি মন্তব্য কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰীসত্যসাই জিলাৰ পুট্টাপাৰ্থিত দ্বৈত ইঞ্জিনযুক্ত অত্যাধুনিক যুজাৰু বিমান নিৰ্মাণ কাৰ্যসূচীৰ আধাৰশিলা স্থাপন কৰে।

৩। আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় গোচৰত পশ্চিমবংগ চৰকাৰে ভাৰতীয় আৰক্ষী সেৱাৰ ৩ গৰাকী বিষয়াক নিলম্বন কৰিছে।

৪। ইৰাণৰ বৈদেশিক মন্ত্ৰী আববাছ আৰঘেছিয়ে কৈছে যে পশ্চিম এচিয়াত শান্তি স্থাপনৰ ক্ষেত্ৰত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌত অনুষ্ঠিত হবলগীয়া এখন খেলত আজি চেন্নাই চুপাৰ কিংছ-লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ ওপৰত শেহতীয়াকৈ হোৱা আক্ৰমণক তীব্ৰ গৰিহণা দিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত সংযুক্ত আৰৱ আমিৰীৰ নেতৃত্ব আৰু দেশখনৰ জনসাধাৰণ সুৰক্ষাৰ প্ৰতি সদায়ে সচেতন হৈ থাকিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৫ খন দেশৰ ভ্ৰমণসূচীলৈ প্ৰথম পৰ্যয়ত আজি সংযুক্ত আৰৱ আমিৰীত উপস্থিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবুধাবিত দেশখনৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়দ অল নাহ্য়ানৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনৰ নেতৃত্বক তেওঁক জনোৱা উষ্ম আদৰণিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু শক্তি বিনিয়োগ তথা যোগান শৃংখলাকে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত আশা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে হৰমুজ প্ৰণালীৰ মাজেৰে সুৰক্ষিত নৌ পৰিবহনৰ প্ৰতি ভাৰতৰ সমৰ্থন পুনৰবাৰ প্ৰকাশ কৰে। সমগ্ৰ অঞ্চলটোৰ স্থিৰতাৰ লগতে গোলকীয় শক্তি আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত হৰমুজ প্ৰণালীৰ গুৰুত্বৰ ওপৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশেষভাৱে আলোকপাত কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে, আৰৱ আমিৰীৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে হোৱা আলোচনাই দেশ দুখনৰ মাজৰ চুক্তিসমূহ সফল কৰি তুলিব বুলি আশা কৰা হৈছে।

সংযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰীগৰাকী ইতিমধ্যে নেডাৰলেণ্ড অভিমুখে ৰাওনা হৈছে। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, চুইডেন, নৰৱে আৰু ইটালী ভ্ৰমণ কৰিব। নেদাৰলেণ্ডত শ্ৰীমোদীয়ে দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাক সাক্ষাৎ কৰিব। তেওঁ লগতে নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতেও বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ছুইডেনৰ গোথেনবাৰ্গলৈ যাব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ওল্ফ কিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক

পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ নতুন নতুন খণ্ডৰ বিষয়ত আলোচনা কৰিব। শ্ৰী মোদীয়ে ১৮ মে’ত নৰ্বেৰে ভ্ৰমণ কৰিব। তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশ লোৱাৰ লগতে দ্বিপাক্ষিক আলোচনাত মিলিত হ’ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত তেওঁ ইটালীলৈ যাব আৰু তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ’ মেটাৰেলাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে আলোচনাত মিলিত হ’ব।

০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰীসত্যসাই জিলাৰ পুট্টাপাৰ্থিত দ্বৈত ইঞ্জিনযুক্ত অত্যাধুনিক যুজাৰু বিমান এ এম চি এৰ নিৰ্মাণ কাৰ্যসূচীৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে অন্ধ্ৰপ্ৰদেশে দেশৰ ভিতৰতে আত্মনিৰ্ভৰ ভাৰত আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত মেক ইন ইণ্ডিয়া লক্ষ্য স্পৰ্শ কৰাত সুকীয়া স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। নতুনকৈ আৰম্ভ কৰা প্ৰতিৰক্ষা প্ৰকল্পসমূহে ৰাষ্ট্ৰীয় নিৰাপত্তা সুদৃঢ় কৰিব বুলি উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে প্ৰতিৰক্ষাৰ সমান্তৰালকৈ এই প্ৰকল্পই অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশ খৰটকীয়া কৰি যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টি কৰিব। ৰাজনাথ সিঙে কয় যে গুৰুত্বপূৰ্ণ নিৰাপত্তাজনিত পৰিস্থিতিত ভাৰতে এতিয়াৰে পৰা বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। ইয়াৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় নিৰাপত্তা দেশে নিজাববীয়াকৈ কাৰো ওপৰত নিৰ্ভৰ নকৰাকৈ গঢ়ি তুলিবলৈ সক্ষম হৈছে।

ভাৰতৰ প্ৰতিৰক্ষা খণ্ডত হোৱা পৰিৱৰ্তন সন্দৰ্ভত আলোকপাত কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত ঘৰুৱা প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪৬ হাজাৰ কোটি টকাৰ পৰা সম্প্ৰতি ১ দশমিক ৫-কোটি টকালৈ বৃদ্ধি পাইছে। পুট্টাপাৰ্থিৰ বিমান পৰীক্ষণ আৰু প্ৰতিৰক্ষা উৎপাদন কেন্দ্ৰ এতিয়া বিশ্বৰ ভিতৰতে অন্যতম চৰ্চিত নাম বুলি উল্লেখ কৰি ৰাজনাথ সিঙে কয় যে এনে উন্নত বিমান পৰীক্ষণৰ সুবিধা বিশ্বৰ মাত্ৰ কেইখনমান ঠাইতহে আছে আৰু অন্ধ্ৰপ্ৰদেশে এতিয়া সেই স্থানমসূহত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কেৰাম মোহন নাইডু, মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুকে ধৰি কেইবাগৰাকীও ৰাজ্যিক মন্ত্ৰী উপস্থিত থাকে।

০০০০০

আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় গোচৰত পশ্চিমবংগ চৰকাৰে ভাৰতীয় আৰক্ষী সেৱাৰ ৩ গৰাকী বিষয়াক নিলম্বন কৰিছে। কলকাতা আৰক্ষীৰ প্ৰাক্তন আয়ুক্ত বিনিত গোৱেল, উপ আয়ুক্ত ইন্দিৰা মুখাৰ্জী আৰু অভিষেক গুপ্তাক আজি নিলম্বন কৰা হয়। তিনিওগৰাকী আই পি এছ বিষয়াৰ বিৰুদ্ধে কৰ্তব্যত অৱহেলা কৰা, চৰকাৰৰ অনুমতি অবিহনে সংবাদ মাধ্যমক সম্বোধন কৰা, ঘটনা গাপ দিয়াৰ বাবে ভুক্তভোগীৰ পিতৃ মাতৃক উৎকোচ দিয়াৰ অপচেষ্টা কৰা অভিযোগ উত্থাপন হৈছিল।

মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে আজি সংবাদ মাধ্যমৰ আগত জনোৱা মতে, তিনিওগৰাকী আৰক্ষী বিষয়াৰ বিৰুদ্ধে শীঘ্ৰে ৰাজ্য চৰকাৰে বিভাগীয় তদন্ত আৰম্ভ কৰিব। উল্লেখযোগ্য যে ২০২৪ চনৰ আগষ্ট মাহত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী চিকিৎসকক ধৰ্ষণ কৰি হত্যা কৰা হৈছিল। এই ঘটনাৰ পাছত সমগ্ৰ দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সেই সময়তে আৰক্ষীৰ বিৰুদ্ধে অভিযুক্তক ৰক্ষণা-বেক্ষণ দিয়াৰো গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। এই খিনিতে উল্লেখ কৰিব পাৰি যে সদ্যসমাপ্ত পশ্চিমবংগ বিধানসভা নিৰ্বাচনত চিকিৎসকগৰাকীৰ মাতৃ ৰত্না দেৱনাথ পানীহাটি সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত হৈছিল।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত মালয়েছিয়াৰ বৈদেশিক মন্ত্ৰী মহম্মদ হাচানৰ সৈতে এক বিশেষ বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে নতুন দিল্লীত ২০২৬ বৰ্ষৰ ব্ৰীকচ্ সন্মিলন অনুষ্ঠিত হৈছে। এই অনুষ্ঠানতে ব্ৰীকচ্ৰ অধীনস্থ দেশসমূহৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত জয়শংকৰে কয় যে তেওঁলোকে দুয়োখন দেশৰ মাজত পাৰস্পৰিক সম্পৰ্ক বৰ্তাই ৰখা আৰু বৈদেশিক নীতি উন্নত কৰাৰ বাবে বিশেষভাৱে আলোচনা কৰে। ইফালে ড০ জয়শংকৰ উগান্দাৰ বৈদেশিক মন্ত্ৰী অদংগো জেজে আবুবক্কৰৰ সৈতেও আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত বৈদেশিক মন্ত্ৰী ড০ জয়শংকৰে কয় যে ভাৰত আৰু উগান্দাৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে খাদ্য আৰু স্বাস্থ্য সুৰক্ষাক লৈও বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি ২০২৬ বৰ্ষত স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত হ'বলগীয়া কমনৱেল্থ গেমছৰ প্ৰস্তুতি সম্পৰ্কে আয়োজিত এটা আলোচনাত অংশগ্ৰহণ কৰে। এই আলোচনাত খেলুৱৈসকলৰ প্ৰস্তুতি, প্ৰশিক্ষণ, ব্যৱহাৰ্য সামগ্ৰী, সৰলীকৰণ তথা সমন্বয়েৰে কাম কৰিবলগীয়া বিষয়সমূহ সামৰি লোৱা হ'ব। শ্ৰীমন্দাভিয়াই কয় যে চৰকাৰে ভাৰতীয়  খেলুৱৈসকলে কমনৱেল্থ গেমছত যাতে উচ্চমানৰ প্ৰদৰ্শন দাঙি ধৰিব পাৰে তাৰ বাবে সকলো ধৰণৰ সহায় আগবঢ়াব। তেওঁ লগতে সময়মতে কৰা পৰিকল্পনা, সংস্থাসমূহৰ মাজৰ সমন্বয় আৰু খেলুৱৈসকলৰ নিজা প্ৰস্তুতিৰ জৰিয়তে দেশৰ হৈ তেওঁলোকৰ বাবে চলোৱা প্ৰচাৰ অভিযানে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলিও উল্লেখ কৰে। এই আলোচনাত ক্ৰীড়া সম্পাদকে  ক্ৰীড়া মন্ত্ৰালয়ৰ বিষয়ববীয়াৰ সৈতে যোগাযোগ ৰাখি গ্ৰহণ কৰা পদক্ষেপসমূহো সামৰি লোৱা হয়।

০০০০০

জ্যেষ্ঠ বিজেপি নেতা আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীৰ বিদেশ ভ্ৰমণৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰিছে। মন্ত্ৰীজনে সংবাদ মাধ্যমক উদ্দেশ্যি কয় যে ২০১০ চনৰ বিদেশী অনুদান নিয়ন্ত্ৰণ আইনত উল্লেখ থকা মতে সংসদৰ প্ৰতিজন নেতাই বিদেশ ভ্ৰমণ তথা বৈদেশিক সা-সুবিধা গ্ৰহণৰ কাৰণসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষক জনোৱাটো বাঞ্চনীয় আৰু এই নিয়ম দেশৰ প্ৰতিজন নাগৰিকৰ লগতে ৰাহুল গান্ধীৰ ক্ষেত্ৰতো একেই।

০০০০০

ইৰাণৰ বৈদেশিক মন্ত্ৰী আববাছ্ আৰঘেছিয়ে কৈছে যে পশ্চিম এচিয়াত শান্তি স্থাপনৰ ক্ষেত্ৰত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। আজি নতুন দিল্লীত এখন সংবাদ মেল সম্বোধন কৰি ইৰাণৰ নেতাগৰাকীয়ে কয় যে ইৰাণৰ সৈতে জড়িত কোনো বিষয় সামৰিকভাৱে সমাধান কৰিব নোৱাৰি। তেওঁ কয় যে ইৰাণে হৰমুজ প্ৰণালীৰে সকলো জাহাজ পাৰ কৰি দিয়াত সহায় কৰিবলৈ সাজু হৈ আছে। সম্প্ৰতি হৰমুজ প্ৰণালীৰ পৰিস্থিতি অধিক জটিল হৈ পৰা বুলি উল্লেখ কৰি ইৰাণৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয় যে পশ্চিম এছিয়াৰ সংকট আলোচনাৰ জৰিয়তে সমাধান কৰাৰ বাহিৰে আন কোনো বিকল্প পথ নাই। ভাৰতৰ যিকোনো গঠনমূলক ভূমিকাক ইৰাণে আদৰণি জনাব বুলিও আববাচ আৰঘাছিয়ে সংবাদমেলত উল্লেখ কৰে। উল্লেখযোগ্য যে ব্ৰীকচৰ অধীনৰ দেশসমূহৰ বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ বাবে আৰঘাছি বৰ্তমান নতুন দিল্লীত আছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌত অনুষ্ঠিত হবলগীয়া এখন খেলত চেন্নাই চুপাৰ কিংছ-লক্ষ্ণৌ চুপাৰ জায়েণ্টছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন চাৰে সাত বজাত অনুষ্ঠিত হব। টছ্ত জিকি লক্ষ্ণৌ চুপাৰ জায়েণ্টছে- চেন্নাই চুপাৰ কিংছক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়।

ooooo

ঃঃ সমাপ্ত ঃঃ